*কেৱল অফিচিয়েল ব্যৱহাৰ*

# কাৰ্য্যবাহী সাৰাংশ

**পাৰিপাৰ্শ্বিক আৰু সামাজিক প্ৰভাৱ মূল্যায়ন-পাৰিপাৰ্শ্বিক আৰু সামাজিক ব্যৱস্থাপনা আঁচনি (দুটা উপকেন্দ্ৰৰ বাবে: ৰঙিয়া / কুমাৰিকাটা আৰু সোনাপুৰ)**

Environment and Social Impact Assessment - Environment and Social Management Plan
(Report for two Substations: Rangia/Kumarikata, and Sonapur)

**অসম আন্তঃৰাজ্যিক সঞ্চাৰণ প্ৰণালী সুদৃঢ়কৰণ প্ৰকল্প**

(Assam Intra State Transmission System Enhancement Project)

**প্ৰস্তুত কৰা হৈছে এচিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেণ্ট বেংকৰ বাবে (চমুকৈ AIIB)**

Submitted To: Asian Infrastructure Investment Bank

**"অসম বিদ্যুৎ সংবহন নিগম লিমিটেড" (চমুকৈ AEGCL) দ্বাৰা দাখিল কৰা হৈছে**

প্ৰস্তুত কৰিছে: "পিটি ফিডবেক ইনফ্ৰা কনচৰ্টিয়াম" (PT Feedback Infra Consortium)

পাৰিপাৰ্শ্বিক আৰু সামাজিক প্ৰভাৱ মূল্যায়ন – পাৰিপাৰ্শ্বিক আৰু সামাজিক ব্যৱস্থাপনা আঁচনি (ESIA-ESMP) প্ৰতিবেদন হৈছে ঋণ লওঁতাৰ এক নথি আৰু AIIB-ৰ পাৰিপাৰ্শ্বিক আৰু সামাজিক পৰিকাঠামো অনুসৰি ৰাজহুৱা ভাৱে উপলব্ধ কৰা হয়। ইয়াত প্ৰকাশ কৰা মতামত বোৰে AIIB-ৰ পৰিচালক মণ্ডলী, পৰিচালনা বা কৰ্মচাৰীসকলক প্ৰতিনিধিত্ব নকৰে।

# কাৰ্য্যবাহী সাৰাংশ

সকলোৰে বাবে শক্তি (Power for All) আঁচনি ৰূপায়ণত সহায় কৰিবলৈ অসম চৰকাৰে ভাৰত চৰকাৰৰ জৰিয়তে এছিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেণ্ট বেংকক (চমুকৈ AIIB) অসম ৰাজ্যত বিদ্যুৎ পৰিবহন নেটৱৰ্ক উন্নীত আৰু শক্তিশালী কৰাৰ বাবে বিত্তীয় আৰু কাৰিকৰী সহায়ৰ বাবে অনুৰোধ জনাইছে । AIIBয়ে দুটা পৰ্যায়ত "অসম আন্তঃৰাজ্যিক সঞ্চাৰণ প্ৰণালী সুদৃঢ়কৰণ প্ৰকল্প"ৰ (Assam Intra State Transmission System Enhancement Project) জৰিয়তে বিদ্যুৎ যোগানৰ নিৰ্ভৰ যোগ্যতা উন্নত কৰাৰ বাবে বিদ্যুৎ পৰিবহন বৃদ্ধিত সহায় কৰাৰ কথা বিবেচনা কৰিছে ।

অসম ৰাজ্যিক সঞ্চাৰণ উপযোগিতাৰ (Assam State Transmission Utility) গৰাকী অসম বিদ্যুৎ সংবহন নিগম লিমিটেড (চমুকৈ AEGCL) য়ে ৰাজ্যৰ উৎপাদনকাৰী প্ৰকল্পৰ লগতে কেন্দ্ৰীয় খণ্ডৰ পৰা উপযোগিতা সৃষ্টি কাৰী আৰু অন্যান্য উৎসৰ পৰা শক্তি অসমৰ বিতৰণ সংস্থালৈ বিদ্যুৎ প্ৰেৰণৰ পৰিচালনা কৰে আৰু তাৰ বাবে দায়বদ্ধ। AEGCL হৈছে প্ৰকল্পটোৰ কাৰ্য্যকৰী সংস্থা (PMU)। AEGCL –ৰ দ্বাৰা প্ৰকল্প ব্যৱস্থাপনা পৰামৰ্শদাতা (PMC) হিচাপে পিটি ফিডবেক ইনফ্ৰা লিমিটেড, ইণ্ডোনেছিয়াৰ সহযোগিতাত জেড কনচাল্ট নেপাল আৰু নিপচা, স্পেইনৰ (PT Feedback Infra Limited, Indonesia in Association with Jade Consult Nepal and NIPSA, Spain) সৈতে নিযুক্ত কৰা হৈছে।

প্ৰথম পৰ্যায়ৰ অধীনত প্ৰকল্পটোত -৪০০ কেভি, ২২০ কেভি আৰু ১৩২ কেভি ভল্টেজ স্তৰত ১০ টা নতুন উপকেন্দ্ৰ নিৰ্মাণৰ লগতে সংশ্লিষ্ট ৩৩২.৯৪৫ কিলোমিটাৰ সংযোগ সঞ্চাৰণ লাইন স্থাপন, AEGCL ৰ বৰ্তমানে উপস্থিত থকা উপকেন্দ্ৰত ৩ টা বে' সম্প্ৰসাৰণ স্থাপন আৰু ১৩২/৩৩ কেভি গহপুৰ এ.আই.এছ (Air Insulated Substation) উপকেন্দ্ৰটো ১৩২/৩৩ কেভি জি.আই.এছ (Gas Insulated Substation) উপকেন্দ্ৰলৈ ৰূপান্তৰ কৰা, বৰ্তমানেও সক্ৰিয় হৈ থকা ১৪ টা উপকেন্দ্ৰ বিবৰ্ধন (পুৰণি ট্ৰেন্সফৰ্মাৰৰ স্থানত নতুন ট্ৰেন্সফৰ্মাৰ স্থাপন -Transformer Augmentation), তিনিটা ১৮৬ কিলোমিটাৰ সঞ্চাৰণ এটা একক বৰ্তনী (single circuit) লাইন আৰু দুটা দুগুণ বৰ্তনী (double circuit) লাইনৰ পুনৰ গাঁথনি উন্নীতকৰণ (High Temperature Low Sag), ৬৩৬ কিলোমিটাৰ সঞ্চাৰণ লাইনৰ গ্ৰাউণ্ড ৱায়াৰ (Ground Wire) ৰ স্থানত অপ্টিকেল পাৱাৰ গ্ৰাউণ্ড ৱায়াৰ (Optical Power Ground Wire) ৰ প্ৰয়োগ আৰু উপকেন্দ্ৰ বোৰৰ পুৰণি যন্ত্ৰ-পাতি সলনি কৰণ অন্তৰ্ভুক্ত আছে।

উপকেন্দ্ৰ নিৰ্মাণকে ধৰি বিদ্যুৎ পৰিবহন প্ৰকল্প বোৰ পাৰিপাৰ্শ্বিক-সংবেদনশীল প্ৰকল্পৰ তালিকাত তালিকা ভুক্ত কৰা হোৱা নাই আৰু সেয়েহে, ২০০৬ চনৰ পাৰিপাৰ্শ্বিক প্ৰভাৱ মূল্যায়ন (Environmental Impact Assessment) ঘোষণা আৰু পৰৱৰ্তী সময়ত পৰিৱেশ, বন তথা জলবায়ু পৰিবৰ্তন বিষয়ক মন্ত্ৰালয় (MoEF&CC) সংশোধন অনুসৰি কোনো পৰিৱেশগত অনুমোদনৰ (Environmental Clearance) প্ৰয়োজন নাই। অৱশ্যে, প্ৰকল্পটোৰ বাবে প্ৰকল্প সম্পৰ্কিত কাৰ্য্য-কলাপ যেনে কুৱেৰী অপাৰেচন (যদি থাকে) আগতীয়া পৰিৱেশগত অনুমোদনৰ প্ৰয়োজন হ'ব পাৰে। অসম বন বিভাগৰ পৰা অনুমোদন কেৱল সেই ক্ষেত্ৰত হে প্ৰয়োজন হয় য'ত বন ভূমিত প্ৰকল্প এটা নিৰ্মাণ কৰা হয় বা বন বিভাগৰ অধিনত থকা গছকটাৰ প্ৰয়োজন হয়।ৰাষ্ট্ৰীয় বন্য প্ৰাণী পৰিষদ (National Wildlife Board) / ৰাজ্যিক বন্যপ্ৰাণী পৰিষদৰ (State Wildlife Board) পৰা কেৱল সেই ক্ষেত্ৰতহে অনুমোদনৰ প্ৰয়োজন হয় য'ত অধিসূচিত বন্যপ্ৰাণী এলেকাত বা বন্যপ্ৰাণী এলেকাৰ পাৰিপাৰ্শ্বিক-সংবেদনশীল অঞ্চলৰ (Eco-Sensitive Zone) ভিতৰত এটা প্ৰকল্প নিৰ্মাণ কৰা হয়। আৰ্দ্ৰভূমি কৰ্তৃপক্ষৰ (Wetland Authority) পৰা কেৱল সেইক্ষেত্ৰতহে অনুমোদনৰ

প্ৰয়োজন হয় য'ত অধিসূচিত আৰ্দ্ৰভূমিত (Notified Wetland) বা আৰ্দ্ৰভূমিৰ পাৰিপাৰ্শ্বিক- অঞ্চলৰ (Eco-Sensitive Zone of Wetland) ভিতৰত প্ৰকল্প এটা নিৰ্মাণ কৰা হয়। স্ক্ৰীণিংৰ ওপৰত আধাৰিত কৰি, উপকেন্দ্ৰৰ স্থানবোৰৰ বাবে বন, বন্যপ্ৰাণী আৰু আৰ্দ্ৰ ভূমিৰ অনুমোদন প্ৰযোজ্য নহয়।

যিহেতু প্ৰকল্পটো AIIBৰ জৰিয়তে পুঁজি যোগান ধৰা হব, সেয়ে বেঙ্কৰ পাৰিপাৰ্শ্বিক আৰু সামাজিক নীতি (Environmental and Social Policy) প্ৰযোজ্য হব। প্ৰকল্পটো বেঙ্কৰ পাৰিপাৰ্শ্বিক আৰু সামাজিক নীতি অনুসৰি "শ্ৰেণী বি" হিসাপে (Category B) আৱণ্টন কৰা হৈছে, কিয়নো উপকেন্দ্ৰ বোৰ সংবেদনশীল এলেকা বোৰত অৱস্থিত নহয়।

বৰ্তমানৰ পৰিৱেশ আৰু সামাজিক প্ৰভাৱ মূল্যায়ন (ই.এছ.আই.এ.) আৰু পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনা আঁচনি (ই.এছ.এম.পি.) প্ৰতিবেদনত ৰঙিয়া/কুমাৰিকাটা আৰু সোনাপুৰ নামৰ দুটা সংখ্যাৰ উপকেন্দ্ৰৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

প্ৰকল্পটোৰ বাবে বেঙ্কৰ পাৰিপাৰ্শ্বিক আৰু সামাজিক মান-১ {Environmental & Social Standard (ESS-1)} প্ৰযোজ্য হ'ব কিয়নো অসামৰিক কামবোৰে সীমিত সংখ্যক সম্ভাব্য প্ৰতিকূল পাৰিপাৰ্শ্বিক আৰু সামাজিক প্ৰভাৱ সৃষ্টি কৰিব পাৰে। এই প্ৰভাৱবোৰ অভূতপূৰ্ব নহয় আৰু প্ৰকল্প ক্ষেত্ৰত সীমাবদ্ধ।

ৰঙিয়া আৰু কুমাৰিকাটা উপকেন্দ্ৰত, পাৰিপাৰ্শ্বিক আৰু সামাজিক মান-২ (ESS-2) আৰু পাৰিপাৰ্শ্বিক আৰু সামাজিক মান-৩ (ESS-3) প্ৰযোজ্য কিয়নো ইচ্ছুক ক্ৰেতা-ইচ্ছুক বিক্ৰেতাৰ ভিত্তিত প্ৰয়োজনীয় ভূমি ক্ৰয় কৰা হৈছে আৰু মুঠ ৩২ টা প্ৰকল্প প্ৰভাৱিত ব্যক্তি (PAPs) ভিতৰত ৫ (পাঁচ) সংখ্যক অনুসূচীত জনজাতি প্ৰকল্প প্ৰভাৱিত ব্যক্তি আছে। (শ্ৰীমতী বিনা ৰাভা, শ্ৰী ভবেন চন্দ্ৰ ৰাভা, শ্ৰী জয়ন্ত বড়ো, শ্ৰীযুত ডিম্পোল বড়ো আৰু শ্ৰীযুত কমলেশ্বৰ বড়ো) । সোনাপুৰ উপকেন্দ্ৰত, এ.ই.জি.চি.এল.-ৰ নিজা পুঁজিৰ পৰা উপপথ নিৰ্মাণ কৰা হ'ব আৰু এনেদৰে প্ৰয়োজন অনুসৰি ই.এছ.এছ. ২ আৰু ই.এছ.এছ.৩ প্ৰস্তুত কৰা হ'ব।

প্ৰকল্পটোৰ সৈতে সম্পৰ্কিত বিভিন্ন নিয়ন্ত্ৰক ৰূপৰেখাৰ বিৱৰণ ইতিমধ্যে পাৰিপাৰ্শ্বিক আৰু সামাজিক ব্যৱস্থাপনা পৰিকল্পনা ৰূপৰেখা (ESMPF)আলোচনা / বিবেচনা কৰা হৈছে।

AEGCLৰ কাৰ্য্যকৰী অপাৰেচন সুৰক্ষা মেনুৱেলে জীৱিকা স্বাস্থ্য আৰু সুৰক্ষাকে ধৰি পাৰিপাৰ্শ্বিক আৰু সামাজিক দায়িত্ব বোৰ পালন কৰাৰ প্ৰতি ইয়াৰ প্ৰতিশ্ৰুতি হিচাপেও কাম কৰে।

পাৰিপাৰ্শ্বিক আৰু সামাজিক গাঁথনিৰ (Profile) আধাৰ-ৰেখাৰ তথ্য সংগ্ৰহ কৰিবলৈ ৫ মে আৰু ৭ মে ২০২১ তাৰিখে দুটা উপকেন্দ্ৰ চৌহদ আৰু কাষৰীয়া এলেকাৰ ভিতৰত পাৰিপাৰ্শ্বিক আৰু আৰ্থ-সামাজিক পৰিস্থিতি মূল্যাঙ্কন কৰিবলৈ এক আধাৰ-ৰেখা অধ্যয়ন কৰা হৈছিল। উপকেন্দ্ৰবোৰৰ আধাৰ-ৰেখাৰ পৰিস্থিতি বিৱৰণ পাৰিপাৰ্শ্বিক আৰু সামাজিক প্ৰভাৱ মূল্যায়ন –পাৰিপাৰ্শ্বিক আৰু সামাজিক ব্যৱস্থাপনা আঁচনি (ESIA-ESMP) মুখ্যপ্ৰতিবেদনত প্ৰদান কৰা হৈছে।
প্ৰস্তাৱিত উপকেন্দ্ৰৰ স্থান সমূহ পাৰিপাৰ্শ্বিক সংবেদনশীল স্থানৰ পৰা আঁতৰত আছে। উপকেন্দ্ৰবোৰৰ বেছি ভাগ উপকেন্দ্ৰৰ পাৰিপাৰ্শ্বিক অৱস্থা যথেষ্ট সন্তোষ জনক।

আধাৰ-ৰেখা স্থিতিৰ পৰা মূল্যাঙ্কন অনুসৰি, প্ৰভাৱবোৰ নিয়ন্ত্ৰণ যোগ্য কিয়নো স্থান ভ্ৰমণৰ সময়ত কোনো গুৰুত্বপূৰ্ণ পাৰিপাৰ্শ্বিক সমস্যা নথিভুক্ত কৰা হোৱা নাই। প্ৰভাৱ আৰু প্ৰশমন ব্যৱস্থাৰ বিৱৰণ পাৰিপাৰ্শ্বিক

আৰু সামাজিক প্ৰভাৱ মূল্যায়ন –পাৰিপাৰ্শ্বিক আৰু সামাজিক ব্যৱস্থাপনা আঁচনি (ESIA-ESMP) মুখ্য প্ৰতিবেদনত আলোচনা কৰা হৈছে। মুখ্য পাৰিপাৰ্শ্বিক আৰু সামাজিক ব্যৱস্থা আৰু পাৰিপাৰ্শ্বিক আৰু সামাজিক নিৰীক্ষণ আঁচনি ৰূপায়ণ কৰিবলৈ ব্যয় অভিযান্ত্ৰিক-ক্ৰয় আৰু নিৰ্মাণ ঠিকাদাৰৰ (Engineering Procurement Construction) চুক্তিৰ এটা অংশ যিটো বিল পৰিমাণ তালিকা (Bill of Quantity) সামগ্ৰীত অন্তৰ্ভুক্ত কৰা হৈছে আৰু অভিযান্ত্ৰিক ক্ৰয় আৰু নিৰ্মাণ ঠিকাদাৰৰ ভাল অভিযান্ত্ৰিক অনুশীলনৰ অংশ হিচাপে ধৰা হৈছে। পাৰিপাৰ্শ্বিক আৰু সামাজিক ব্যৱস্থাপনা আঁচনি (ESMP) ৰূপায়ণৰ বাবে আনুমানিক ৫৯,৩৫,৬৫০টকাৰ প্ৰয়োজন বুলি অনুমান কৰা হৈছে।

ৰঙিয়া আৰু কুমাৰিকাটা উপকেন্দ্ৰৰ বাবে, নিৰ্মাণৰ বাবে ভূমি ইচ্ছুক ক্ৰেতা-ইচ্ছুক বিক্ৰেতাৰ আধাৰত ইএছএমপিএফ, ধাৰা ৭.৩.২ অনুসৰি ক্ৰয় কৰা হৈছে । সোনাপুৰ উপকেন্দ্ৰৰবাবে নিৰ্মাণৰ বাবে ভূমি হৈছে এইজিচিএলৰ নিজা ভূমি আনহাতে উপপথৰ বাবে (যিটো এইজিচিএলৰ নিজা পুঁজিৰ পৰা পৰিচালিত হ'ব), ইচ্ছুক ক্ৰেতা-ইচ্ছুক বিক্ৰেতাৰ আধাৰত ভূমি ক্ৰয়, ই এছ এম পি এফ অনুসৰি, ধাৰা
৭. ৩. ২ চলি আছে।

৫ মে ২০২১ তাৰিখে স্থানীয় অভ্যাসকাৰীসকলৰ (ৰঙিয়া আৰু কুমাৰিকাটা উপকেন্দ্ৰত ৮ জন অংশ গ্ৰহণকাৰী) যেনে অৰ্থনৈতিক ভাৱে দৰিদ্ৰ সম্প্ৰদায়, মহিলা, দুৰ্বল গোট আৰু ওচৰৰ উপকেন্দ্ৰৰ স্থানৰ অন্যান্য স্থানীয় সম্প্ৰদায়ৰ নেতাসকলৰ সৈতে ৰাজহুৱা পৰামৰ্শ কৰা হৈছিল। বাকী ৭০ শতাংশ পৰিশোধৰ সময়ত ২৭.১০.২০২১ তাৰিখে ৰঙিয়া আৰু কুমাৰিকাটা উপকেন্দ্ৰৰ সকলো প্ৰকল্প প্ৰভাৱিত ব্যক্তিৰ (PAPs) ভিতৰত ৩৯ জন অংশগ্ৰহণকাৰীৰ সৈতে নিৰ্দিষ্ট পৰামৰ্শ অনুষ্ঠিত কৰা হৈছিল। পৰামৰ্শৰ সময়ত ৰঙিয়া আৰু কুমাৰিকাতা উপকেন্দ্ৰৰ মুঠ ৩২ টা প্ৰকল্প প্ৰভাৱিত ব্যক্তিৰ (PAPs) ভিতৰত ৫ (পাঁচ) সংখ্যক অনুসূচীত জনজাতিৰ প্ৰকল্প প্ৰভাৱিত ব্যক্তিৰ (PAPs) (শ্ৰীমতী বিনা ৰাভা, শ্ৰী ভবেন চন্দ্ৰ ৰাভা, শ্ৰী জয়ন্ত বড়ো, শ্ৰীযুত ডিম্পোল বড়ো আৰু শ্ৰীযুত কমলেশ্বৰ বড়ো)ৰ নিৰ্দিষ্ট মতামত লিপিবদ্ধ কৰা হৈছিল। সোনাপুৰ উপকেন্দ্ৰৰ ১৬ জন অংশগ্ৰহণকাৰীৰ সৈতে ইয়াৰ প্ৰস্তাৱিত পদ্ধতি পথ (য'ত প্ৰস্তাৱিত উপকেন্দ্ৰৰ নিৰ্মাণ এইজিচিএল বিদ্যমান চৌহদৰ সৈতে আছে) ০১.০২.২০২২ তাৰিখে পৰামৰ্শ কৰা হৈছিল। এই পৰামৰ্শটোৱে কোভিড-১৯ ৰ বিস্তাৰ প্ৰতিহত কৰিবলৈ আৰু সুৰক্ষিত আচৰণৰ বিষয়ে সজাগতা পুনৰাবৃত্তি কৰিবলৈ কঠোৰ প্ৰটোকল অনুসৰণ কৰিছিল।

এই আলোচনা বোৰৰ প্ৰতিলিপিয়ে AEGCL আৰু EPC ঠিকাদাৰক মানুহৰ দ্বাৰা উত্থাপিত সমস্যাবোৰ সঠিক ভাৱে সমাধান কৰাটো নিশ্চিত কৰিবলৈ সঠিক প্ৰয়োজনীয়তা মূল্যায়ন কৰাত সহায় কৰিব। সমগ্ৰ উপ-প্ৰকল্প চক্ৰটোত চলি থকা ভিত্তিত পৰামৰ্শ কৰা হ'ব।

প্ৰস্তাৱিত উপকেন্দ্ৰ নিৰ্মাণ আৰু সম্পৰ্কিত কাৰ্য্যকলাপক স্থানীয় লোকসকলে আদৰণি জনাইছে। পৰামৰ্শ প্ৰক্ৰিয়াৰ সময়ত কোনো গুৰুত্বপূৰ্ণ পাৰিপাৰ্শ্বিক সমস্যা উত্থাপন কৰা হোৱা নাছিল। উপকেন্দ্ৰৰ ওচৰৰ কিছুমান পৰিয়ালে অসামৰিক কাম আৰম্ভ কৰাৰ সময়ত অস্থায়ী ভিত্তিত অদক্ষ কামৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ দেখুৱাইছে।

স্থানীয় লোকসকলে প্ৰকল্প কাৰ্য্যকৰীকৰণ আৰম্ভ হোৱাৰ বাবে আগ্ৰহেৰে অপেক্ষা কৰি আছে, যাতে তেওঁলোকে উন্নত শক্তি প্ৰাপ্ত কৰিব পাৰে আৰু কিছু অস্থায়ী নিযুক্তি সৃষ্টিৰ আশা কৰিছে।

এই খচৰা (draft) পাৰিপাৰ্শ্বিক আৰু সামাজিক প্ৰভাৱ মূল্যায়ন –পাৰিপাৰ্শ্বিক আৰু সামাজিক ব্যৱস্থাপনা আঁচনি (ESIA-ESMP) AIIB আৰু AEGCLৰ ৱেবছাইটত অনলাইনত প্ৰকাশ কৰা হ'ব আৰু খচৰাৰ ইংৰাজী মূল প্ৰতিলিপি নিম্নলিখিত স্থানবোৰত উপলব্ধ:

**১. প্ৰকল্প ব্যৱস্থাপনা একক (Project Management Unit):**
প্ৰকল্প সঞ্চালক (Project Director),
ঠিকনা: প্ৰথম মহলা, এ:ই:জি:চি:এল:, বিজুলী ভৱন,
যোগাযোগনম্বৰ: ০৩৬১-২৭৩৯৫২০
ৱেবছাইট www.aegcl.co.in,
যোগাযোগ ব্যক্তি: শ্ৰীযুত লোকনাথ চৌধুৰী

২. প্ৰকল্প ৰূপায়ণ একক (Project Implementation Unit):

| টি এণ্ড টি চক্ৰৰ নাম | প্ৰকল্প জিলা | পেকেজৰ নাম | উপ-প্ৰকল্প | ফোকেল পইণ্ট / মনোনীত অফিচিয়েল | যোগাযোগ নম্বৰ (ম'বাইল আৰু হোৱাটছ্এপ) | যোগাযোগ ঠিকনা |
|---|---|---|---|---|---|---|
| নামনি অসম | কামৰূপ (গ্ৰাম্য) কামৰূপ (মেট্ৰো) নলবাৰী বাক্সা মাৰিগাঁও | জি | ৪০০/২২০ কেভি ৰঙিয়া / কুমাৰিকাটা উপকেন্দ্ৰ | শ্ৰী অংশুমান দেৱ ৰয় সহকাৰী মহাপ্ৰৱন্ধক, ৰঙিয়া | ৯৫০৮৫৪০০০ | অ:/অ: উপ মহাপ্ৰৱন্ধক, এল:এ: টি:টি:চি গুৱাহাটী, নাৰেংগী |
| | | এইচ | ৪০০/২২০ কেভি সোনাপুৰ উপকেন্দ্ৰ | শ্ৰী হিমাংশু শইকীয়া, আৰ. ই | ৯৮৫৪৭৩৮৬১৭ | |

ইংৰাজী আৰু অসমীয়া কাৰ্য্যবাহী সাৰাংশ নিম্নলিখিত স্থানবোৰত পোৱা যাব:

১. প্ৰকল্প ব্যৱস্থাপনা একক (Project Management Unit):
প্ৰকল্প সঞ্চালক (Project Director),
ঠিকনা: প্ৰথম মহলা, এ:ই:জি:চি:এল:, বিজুলীভ ৱন,
যোগাযোগ নম্বৰ: ০৩৬১-২৭৩৯৫২০
ৱেবছাইট www.aegcl.co.in,
যোগাযোগ ব্যক্তি: শ্ৰীযুত লোকনাথ চৌধুৰী
২. প্ৰকল্প ৰূপায়ণ একক (Project Implementation Unit):ওপৰৰ তালিকাত উল্লেখ কৰা অনুসৰি।
৩. অভিযোগ নিষ্পত্তি সমিতি (Grievance Redressal Committee)

**<u>স্তৰ২ (Tier-2):</u>**

(১) মুখ্য মহাপ্ৰৱন্ধক, প্ৰকল্প পৰিকল্পনা আৰু বিকাশ, এ:ই:জি:চি:এল: (Chief General Manager, PP&D, AEGCL)
ঠিকনা: প্ৰথম মহলা, এ:ই:জি:চি:এল:, বিজুলীভৱন,

যোগাযোগ নম্বৰ: ০৩৬১-২৭৩৯৫২০
ৱেবছাইট: www.aegcl.co.in,
যোগাযোগ ব্যক্তি: শ্ৰীযুত লোকনাথ চৌধুৰী

**(২) প্ৰকল্পব্যৱস্থাপনাএকক (Project Management Unit):**
প্ৰকল্প সঞ্চালক (Project Director),
ঠিকনা: প্ৰথম মহলা, এ:ই:জি:চি:এল:, বিজুলী ভৱন,
যোগাযোগ নম্বৰ: ০৩৬১-২৭৩৯৫২০
ৱেবছাইট www.aegcl.co.in,
যোগাযোগ ব্যক্তি: শ্ৰীযুত লোকনাথ চৌধুৰী

**স্তৰ১ (Tier-1):**ওপৰৰ তালিকাত উল্লেখ কৰা অনুসৰি।

প্ৰকল্পটোৱে এক অভিযোগ নিষ্পত্তি প্ৰণালী (Grievance Redressal Mechanism) স্থাপনৰ ব্যৱস্থা কৰিছে। অভিযোগ নিষ্পত্তি প্ৰণালী হৈছে এক বিনামূলীয়া প্ৰণালী যি প্ৰকল্প প্ৰভাৱিত লোক (Project Affected People) বা নিৰ্মাণ শ্ৰমিকৰ দ্বাৰা উদ্বেগ বা অভিযোগ সমাধান কৰাৰ পঞ্জীয়ন আৰু প্ৰয়াস কৰে। এই প্ৰক্ৰিয়াৰ উদ্দেশ্য হৈছে বিবাদ বোৰ দ্ৰুততাৰে সমাধান কৰা আৰু মোকৰ্দমা পৰিহাৰ কৰা, এনে দৰে প্ৰকল্পৰ কাৰ্য্য কলাপৰ মসৃণ ৰূপায়ণ নিশ্চিত কৰা।

প্ৰকল্পৰ সকলো স্তৰত অভিযোগ নিষ্পত্তি প্ৰণালী, অভিযোগ নিষ্পত্তি সমিতিৰ সদস্যসকলে অভিযোগ নিষ্পত্তি প্ৰণালীৰ উদ্দেশ্য বোৰ বজাই ৰাখিব লাগে আৰু সেইবোৰ প্ৰাপ্ত কৰিবলৈ চেষ্টা কৰিব লাগে। অভিযোগ নিষ্পত্তি প্ৰণালীৰ প্ৰাথমিক উদ্দেশ্য বোৰ হৈছে:
সকলো প্ৰকল্পৰ বাবে অভিযোগ সমাধানৰ বাবে এক সুলভ, স্বচ্ছ, দক্ষ আৰু অনুমান যোগ্য প্ৰণালী প্ৰদান কৰিব:

- অভিযোগ নিষ্পত্তি প্ৰণালী জনপ্ৰিয় কৰা আৰু ইয়াক কেনেদৰে বিনামূলীয়াকৈ প্ৰৱেশ কৰিব পাৰি।
- বিভিন্ন সাম্ভাব্য প্ৰ-পত্ৰত অভিযোগ প্ৰাপ্ত কৰা (লিখিত, মৌখিক, ইলেক্ট্ৰনিক, ইমেইল, সামাজিক মাধ্যম, টেলিফোন, ফেক্স, পৰামৰ্শ বাকচ)
- প্ৰতিকাৰৰ বাবে স্পষ্ট প্ৰক্ৰিয়া স্থাপন কৰা যি আৱৰি থাকে:
  - অভিযোগ নিষ্পত্তি প্ৰণালীত পঞ্জীয়ন সকলো অভিযোগ লগ কৰক (সৰু আৰু মৌখিক সহ)।
  - অভিযোগকাৰীক স্বীকৃতি, সমাধানৰ বাবে প্ৰত্যাশিত ম্যাদ ব্যাখ্যা কৰা।
  - অভিযোগৰ অনুসন্ধান, অভিযোগকাৰীৰ সমাধানৰ প্ৰস্তাৱ দিয়া আৰু যদি অভিযোগটো গ্ৰহণযোগ্য ভাৱে বন্ধকৰা হয়, বা
  - দ্বিতীয় স্তৰলৈ অভিযোগ বৃদ্ধি যিটো অভিযোগৰ সৈতে অৱগত কৰিব লাগে।
  - অভিযোগৰ অনুসন্ধান, অভিযোগকাৰীৰ সমাধানৰ প্ৰস্তাৱ।
  - অভিযোগ নিষ্পত্তি প্ৰণালী লগত মতামত ৰখা আৰু অভিযোগবন্ধ কৰা।

- অভিযোগটো অৱগত কৰিব লাগে যে:
  - অভিযোগকাৰী সকলৰ বাবে কোনো প্ৰতিশোধ বা ভাবুকি নাই।
  - অভিযোগকাৰী সকলৰ বাবে অভিযোগ নিষ্পত্তি প্ৰণালীৰ প্ৰৱেশাধিকাৰ বিনামূলীয়া।
  - অভিযোগ নিষ্পত্তি প্ৰণালী ন্যায়িক ব্যৱস্থাৰ স্থান নলয়।
  - যিকোনো বাৰম্বাৰ অভিযোগৰ বাবে পৰ্যবেক্ষণ কৰক আৰু তেওঁলোকৰ প্ৰণালী বদ্ধ সমাধানৰ বাবে প্ৰকল্প ব্যৱস্থাপনা একক (PMU) এনে বিষয়ে অৱগত কৰক।
  - এনে এক পৰিৱেশ প্ৰদান কৰা যি তথ্য, দৃষ্টিভংগী আৰু ধাৰণা সমূহৰ মুক্ত আৰু সৎ আদান-প্ৰদান তৈয়াৰ কৰে।

- অভিযোগ নিষ্পত্তি প্ৰণালী নিম্ন লিখিত তথ্যবোৰৰ জৰিয়তে প্ৰৱেশ কৰিব পাৰি:
  - প্ৰকল্পচিহ্ন বোৰ্ড।
  - প্ৰকল্প ৰূপায়ণ একক (PIU) কাৰ্যালয় / টি এণ্ড টি চাৰ্কল কাৰ্যালয়ত প্ৰদৰ্শন।
  - এ.ই.জি.চি.এল. ৱেবছাইটত আপলোড কৰিব লাগিব।

প্ৰকল্প-প্ৰভাৱিত মানুহৰ প্ৰণালী (পি.পি.এম) এ.আই.আই.বি.-ৰ দ্বাৰা প্ৰকল্প-প্ৰভাৱিত লোকসকলৰ পৰা দাখিলৰ স্বতন্ত্ৰ আৰু নিৰপেক্ষ পৰ্যালোচনাকৰাৰ সুযোগ প্ৰদান কৰাৰ বাবে স্থাপন কৰা হৈছে যিসকলে বিশ্বাস কৰে যে প্ৰকল্প-স্তৰৰ জি.আৰ.এম. বা এ.আই.আই.বি ব্যৱস্থাপনা প্ৰক্ৰিয়াৰ জৰিয়তে এ.আই.আই.বি.-য়ে ইয়াৰ পাৰিপাৰ্শ্বিক আৰু সামাজিক নীতি (ESS) কাৰ্য্যকৰী কৰাত বিফল হোৱাৰ ফলত তেওঁলোক বিৰূপভাৱে প্ৰভাৱিত হৈছে বা হোৱাৰ সম্ভাৱনা আছে। প্ৰকল্প-প্ৰভাৱিত মানুহৰ প্ৰণালী ৰ বিষয়ে তথ্য ইয়াত উপলব্ধ:
https://www.aiib.org/en/policies-strategies/operational-policies/policy-on-the-project-affected-mechanism.html